# সংক্ষিপ্ত কাৰ্য্যকৰী বিৱৰন

১) অসম চৰকাৰৰ অধীনত অসম পৌৰ আন্তঃগাথনি বিনিয়োগ কৰ্ম আঁচনি পৌৰ আন্তঃগাথনিৰ চাবি কাঠি স্বৰূপ আৰু উন্নত মানৰ পানী যোগান আচঁনি, অনাময় ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা, নৰ্দমাৰ আন্তঃগাথনিৰ লগতে অনুকূল পৌৰ পৰিবহন ব্যৱস্থা আদিৰ উন্নতিকৰনেই হ'ল ইয়াৰ মূল উদ্দেশ্য । উক্ত কৰ্ম আঁচনি খনৰ বাবে ব্যৱহাৰ কৰা হৈছে  বহু খলপীয়া ঋনদান(multi financing facility)ৰ সুবিধা প্ৰদানৰ আৰ্হি। আঁচনিখন সম্পূৰ্ণকৰণৰ বাবে পাঁচ বছৰ বাবে ধাৰ্য্য কৰি ২০১২ৰ পৰা ২০১৭ লৈ বাস্তৱায়িত কৰি আহিছে । এই ব্যৱস্থাৰ অধীনত গুৱাহাটী মহানগৰীৰ পানী যোগান আঁচনি পয়ঃপ্ৰনালী, পৰিবহন ব্যৱস্থা তথা ডিব্ৰুগড় মহানগৰীৰ জলনিস্কাশন ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা আৰু অন্যান্য প্ৰয়োজনীয় সেৱা সমূহ চিনাক্তকৰন কৰা হৈছে ।

২) এই কৰ্ম আঁচনি খনৰ প্ৰধান লক্ষ্য সমূহ হ'ল – ক) গুৱহাটী মহানগৰীৰ পানী যোগান ব্যৱস্থা, অনাময় ব্যৱস্থা আৰু খ) ডিব্ৰুগড় মহানগৰীৰ বাবে বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা তথা মহানগৰী জলনিস্কাশণৰ সংৰক্ষণাৰ্থে ব্যৱস্থা।

**টেবুল ১**

**৩) আন্তঃগাথনি সাৰাংশ আৰু Tranches**

| প্ৰকল্প চহৰ | সবিশেষ |
|---|---|
| Tranche 1 | |
| গুৱাহাটী | দক্ষিণ পূব গুৱাহাটীৰ পানী পৰিবাহী নলী নিৰ্মাণৰ কাম আৰু পানী যোগান প্ৰকল্পৰ সংলগ্ন কাম । |
| গুৱাহাটী | দক্ষিণ পূব গুৱাহাটীৰ পানী যোগান আঁচনিৰ বাবে  ৩ টা স্থানত পানী টেংকি নিৰ্মানৰ কাম (গোপালনগৰ, কেন্দুগুৰী, উত্তৰ জ্যোতিনগৰ) আৰু পানী যোগান প্ৰকল্পৰ সংলগ্ন কাম । |
| গুৱাহাটী | দক্ষিণ পূব গুৱাহাটীৰ পানী যোগান আঁচনিৰ বাবে  ৩ টা স্থানত পানী টেংকি নিৰ্মানৰ কাম (হেঙেৰাবাৰী, নৰজ্যোতি নগৰ, বশিষ্ঠ) আৰু পানী যোগান প্ৰকল্পৰ সংলগ্ন কাম । |
| ডিব্ৰুগড় | ডিব্ৰুগড় চহৰত RCC নিৰ্মান, নগৰ সুৰক্ষাৰ বাবে নলা নিৰ্মান, Box পুল নিৰ্মানৰ লগতে অন্যান্য সংলগ্ন কাম। |
| ডিব্ৰুগড় | ডিব্ৰুগড় চহৰৰ বৰ্জিত সামগ্ৰীৰ/ দ্ৰব্যৰ পৰীক্ষণ আৰু নিষ্পত্তিকৰণৰ বাবে 100MT আৰু 60MT আবেষ্টনিৰ বাবে নক্সা সজা আৰু অন্যান্য সংলগ্ন কাম । |
| ডিব্ৰুগড় | ডিব্ৰুগড় চহৰত যৌগিক দেৱাল নিৰ্মাণ, নদী সংৰক্ষণ দেৱাল নিৰ্মাণ, পথ নিৰ্মাণ, |

| | |
|---|---|
| | সুৰক্ষা প্ৰহৰী কোঠা নিৰ্মানৰ লগতে landfill site ৰ অন্যান্য সংলগ্ন কাম। |
| ডিব্ৰুগড় | ডিব্ৰুগড় চহৰৰ বৰ্জিত দ্ৰব্য সংগ্ৰহৰ বাবে আহিলা তথা যন্ত্ৰপাতি আহৰণ কৰা আৰু যাতায়তৰ বাবে গাড়ী ক্ৰয় কৰা। |

৩) ADB এ সমাজ ৰক্ষা বিষয়ত অনুধাৱন বিচৰাৰ লগতে অনৈচ্ছিক পুনৰসংস্থাপনৰ আৱশ্যকতা ADB ৰ safeguard policy statement (SPS), 2009 ত বৰ্ণনা কৰা হৈছে ।

**ক) প্ৰকল্প বিৱৰণ**

৪) এই RP খন গুৱাহাটী পানী যোগান উপ প্ৰকল্পৰ Tranche 1 ৰ ভিতৰত প্ৰস্তুত কৰা হৈছে । টেবুল একত প্ৰকল্প বিতৰনৰ বিষয়ে বিতং কোৱা হৈছে । এই RP খন পুনৰসংস্থাপন গাঁথনি অনুসৰি প্ৰস্তুত কৰা হৈছে।

**খ) বৰ্গীকৰণ**

৫) এই উপ-প্ৰকল্পটো ADBৰ Safeguard Policy Statement(SPS, 2009) অনুসৰি category B হিচাপে বৰ্গীকৃত কৰা হৈছে ।

**গ) পুনৰসংস্থাপন প্ৰভাৱৰ সাৰাংশ**

৬) পানী শোধন কেন্দ্ৰৰ কাৰণে গুৱাহাটীস্থিত চুনচালি নামৰ ঠাইত সৰ্ব্বমুঠ ৩.১৫ হেক্টৰ চৰকাৰী মাটি অধিগ্ৰহনৰ প্ৰয়োজন হ'ব । এই পানী যোগান প্ৰকল্প আৰু তাৰ অন্তৰ্গত নানান শাখা বিলাকে মুঠ ৮ টা পৰিয়ালক প্ৰভাৱান্বিত কৰিব।

**ঘ) অধিকাৰত্ব**

৭) Govt. আৰু ADB নীতি অনুসৰে পুণৰসংস্থাপনৰ প্ৰভাৱৰ প্ৰশমাৰ্থে যিবোৰ ব্যৱস্থা লব লাগিব সেইবোৰ অধিকাৰত্ব Matrix (টেবুল ৬)ত বিভিন্ন ধৰণৰ ব্যৱস্থাৱলী(যেনে অধিগ্ৰহনৰ ক্ষতিপূৰণ, সহায়তা আদি) দেখুৱা হৈছে। পুনৰ সংস্থাপনৰ পৰিকল্পনাৰ নথিত মাটি আৰু সম্পত্তিৰ একক মূল্য আৰু প্ৰতিস্থাপনৰ মূল্য নিৰ্ধাৰণৰ পদ্ধতি বিস্তৃতভাৱে উল্লেখ কৰা হৈছে। পোনপটীয়া বুজা বুজিৰ মাধ্যমেৰে সংস্থাপন কৰিব লগা মাটিৰ ক্ষতিপূৰণ নিৰ্ধাৰণ কৰাৰ কাৰণে চৰকাৰে এটা স্বাধীন বাহিৰা সংস্থাক নিয়োগ কৰিব আৰু এই সংস্থাই মাটি আৰু সম্পত্তিৰ সঠিক আৰু যথাৰ্থ মূল্য নিৰ্ধাৰণ কৰাত বুজাবুজি আৰু সংস্থাপনৰ পদ্ধতিখিনি নথীভুক্ত কৰি থব । একচনীয়া মাটিৰ ক্ষেত্ৰত পাবলগীয়া ক্ষতিপূৰণৰ মূল্য সীমিত থাকিব । লোকপিয়লৰ Surveyৰ Cut-off date অনুসৰি;

একেধৰণে ক্ষতিপূৰণৰ মূল্য ম্যাদী পট্টা গৰাকীয়ে চৰকাৰৰ অধিসূচনা অনুসৰি লাভ কৰিব। অধিগ্ৰহনৰ পৰিয়ালক ব্যক্তিগত পৰিচয় পত্ৰ বিতৰণ কৰা হ'ব। যিবিলাক স্থানান্তৰিত লোকে Cut-off date ৰ পিছত প্ৰভাৱান্বিত এলেকাত খোপনি পুতিছে, সেইবিলাক লোকে ক্ষতিপূৰণৰ যোগ্য নহব কিন্তু ৬০ দিনৰ পৰ্য্যাপ্ত জাননী দিয়া হব আৰু চৌহদ আৰু বিভিন্ন এলেকা প্ৰকল্প ৰূপায়নৰ কাৰণে খালী কৰিবলৈ অনুৰোধ জনোৱা হ'ব। মাটি আহৰণ আৰু পুণৰসংস্থাপনৰ বাবে প্ৰকল্পটোৰ সৰ্ব্বমুঠ মূল্য হ'ল- USD 2.9 million. চৰকাৰে পুণৰসংস্থাপনৰ বাবে সময়ে সময়ে পুজি যোগান ধৰিব ।

**ঙ) ৰূপায়ন ব্যৱস্থাপনা**

৮) অসম চৰকাৰৰ গুৱাহাটী ডেভেলপমেন্ট বিভাগটো পৰিচালনা অনুষ্ঠান হিচাপে প্ৰতিষ্ঠিত হব, যিটো সম্পূৰ্ণ ক্ৰিয়ান্বিত, কাৰিকৰী পৰ্য্যবেক্ষন, সমাকৰণ (Monitoring)আৰু প্ৰকল্পৰ ভিতৰত থকা বিত্তীয় নিয়ন্ত্ৰনৰ লগতে সকলো কামৰ ভাৰসাধক হিচাপে কাম কৰিব।

PMUত সুৰক্ষা অনুপালন আৰু সমাকৰণ উন্নত থাকিব লগতে Sub Projects ৰ কাৰণে নেতিবাচক বাতাৱৰণ আৰু সামাজিক প্ৰভাৱ উপশম সুনিশ্চিত কৰিবলৈ সুৰক্ষা অনুপালক বিষয়া(Safeguard Compliance Officer)আৰু সমাকৰণ বিষয়া(Monitoring Officer)ক কৰ্মৰত কৰা হব। PMU এ DMSC সুৰক্ষা বিশেষজ্ঞৰ পৰাও সহায় লব পাৰিব। প্ৰকল্প ৰূপায়নৰ এককে গুৱাহাটী আৰু ডিব্ৰুগড় চহৰত প্ৰকল্প স্থাপন কৰিবলৈ সুকীয়া প্ৰকল্প ৰূপায়নৰ গোট গঠন কৰিব লাগিব। প্ৰত্যেক PIU ৰে এজনকৈ পুনৰসংস্থাপনৰ বিষয়া থাকিব, যিজন RP ৰূপায়নৰ বাবে দায়বদ্ধ হ'ব। RP ৰূপায়নত PMU এ DMSC ৰ পৰা সৰ্বাংগ সুৰক্ষা সমাৰকৰ সহায় লব পাৰিব আৰু PIU য়ে DMSC আৰু NGO ৰ পৰা পুনৰসংস্থাপনৰ পৰিকল্পনা প্ৰস্তুতি আৰু ৰূপায়নৰ ক্ষেত্ৰত সহায় লব পাৰিব।

**৯) সমাৰক আৰু প্ৰতিবেদন(Reporting):** PMUত থকা সুৰক্ষা বিষয়াই DMSC আৰু CDTA বহিঃ সুৰক্ষা সমাৰক(Monitoring) বিশেষজ্ঞৰ সহায়ত RP ৰূপায়নত Monitor কৰিব পাৰিব। PIU ৰ পুনৰ সংস্থাপন বিষয়াই ত্ৰৈমাসিক উন্নয়ন বিকাশ প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু PMUত দাখিল কৰিব। PMUয়ে ছয়মহীয়া সমাৰক( Monitoring) প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু ADB ক দাখিল কৰিব। NGO য়ে Sub Project ৰ কাৰণে পুণৰ সংস্থাপন পৰিকল্পনা ৰূপায়নৰ কামৰ বিষয়ে জানিবলৈ PIU আৰু PMU লৈ ত্ৰৈমাসিক প্ৰকল্প বিকাশ প্ৰতিবেদন প্ৰস্তুত কৰিব।প্ৰতিবেদনটোত পুনৰ সংস্থাপনৰ কামৰ ৰূপায়নৰ বিকাশ আৰু যিকোনো অনুপালন বিষয় আৰু শুদ্ধ কামৰ বিৱৰণী দাঙি ধৰিব। এই প্ৰতিবেদনটোৱে পৰিচায়ক পুণৰসংস্থাপন পৰিকল্পনা অনুমোদনৰ সময়ত নিবিড়কৈ অনৈচ্ছিক পুণৰসংস্থাপন monitoring পৰিচায়ক অনুসৰণ কৰিব।

**সংবাদ প্ৰকটীকৰণঃ** – প্ৰত্যেকখন PR ৰ সাৰাংশ ভাঙনি কৰা হব আৰু প্ৰভাবান্বিত মানুহৰ মাজত সহজলভ্য কৰা হ'ব। পুনৰসংস্থাপন পৰিকল্পনাৰ মূল প্ৰতিলিপি বোৰ সহজলভ্য হ'ব—

ক) PMU আৰু PIUৰ কাৰ্য্যালয়ত

খ) জিলা দন্ডাধীশৰ কাৰ্য্যালয়ত

গ) Block Development Officer ৰ কাৰ্য্যালয়ত

ঘ) যিকোনো স্থানীয় পৰ্য্যায়ৰ সমূহীয়া কাৰ্য্যালয়ত

প্ৰকল্পৰ কাৰণে মাটি আহৰণ কৰাৰ আগতে যিমান হয় সিমান সোনকালে পৰিকল্পনাবোৰ সহজলভ্য হব আৰু নিশ্চিত কৰা হ'ব। অশিক্ষিত লোকৰ বাবে বেলেগ যোগাযোগ পদ্ধতি ব্যৱহাৰ কৰা হ'ব। RP খন EA আৰু ADBৰ পৰা অনুমোদন আৰু মঞ্জুৰী পোৱাৰ পিছত পুনৰসংস্থাপন পৰিকল্পনাৰ ইলেকট্ৰনিক সংস্কৰণবোৰ ৰাজ্য চৰকাৰ/PMU/IA ৰ official website আৰু ADB ৰ official website ত দিয়া হব।